# পৃথিৱীৰ ভূগোল

## ১। পৃথিৱীৰ স্থলমণ্ডল আৰু জলমণ্ডলৰ বিষয়ে চমুকৈ লিখা ।

**উত্তৰঃ স্থলমণ্ডল :-** শিল , বালি , মাটি আৰু খনিজ পদাৰ্থৰে গঠিত ভূপৃষ্ঠৰ কঠিন অংশটোকে স্থলমণ্ডল বুলি জনা যায় । ই পৰ্বত – পাহাৰ , সমভূমি , মালভূমি , নদী উপত্যকা , উপকূল আদিৰ দৰে ভূ – অৱয়ৱেৰে গঠিত হৈছে।অৰণ্য , কৃষিভূমি , তৃণভূমি তথা জুনবসতি অঞ্চল আদিও স্থলমণ্ডলৰ অন্তৰ্গত ।

পৃথিৱীৰ মুঠ মাটিকালি ৫১০ নিযুত বৰ্গ কিঃমিঃৰ প্ৰায় ১৪৯ নিযুত বৰ্গ কিঃমিঃ , অৰ্থাৎ প্ৰায় ২৯ শতাংশ স্থলমণ্ডলে আগুৰি আছে । পৃথিৱীৰ স্থলমণ্ডলটো এছিয়া , আফ্ৰিকা , ইউৰোপ , উত্তৰ আমেৰিকা , দক্ষিণ আমেৰিকা , ওছেনিয়া আৰু এন্টাৰ্কটিকা নামৰ সাতখন মহাদেশত বিভক্ত হৈ আছে ।

**জলমণ্ডল :-** ভূপৃষ্ঠৰ জলভাগেৰে গঠিত বৃহৎ অংশটোক জলমণ্ডল বুলি জনা যায় । ই মহাসাগৰ , সাগৰ , হ্ৰদ , নদ – নদী , জান – জুৰি , জলাশয় আদিৰ দৰে জল – অৱয়ৱসমূহেৰে গঠিত । ই ভূপৃষ্ঠৰ প্ৰায় ৭১ শতাংশ ( ৩৬১ নিযুত বৰ্গ কিঃমিঃ ) আগুৰি আছে ।

পৃথিৱীৰ জলভাগক প্ৰশান্ত মহাসাগৰ , দক্ষিণ মহাসাগৰ , ভাৰত মহাসাগৰ , আটলান্টিক মহাসাগৰ আৰু উত্তৰ মহাসাগৰ নামৰ পাঁচখন মহাসাগৰত বিভক্ত কৰা হৈছে ।

## ২। মহাদেশীয় বিস্থাপন সূত্ৰ অনুসৰি পৃথিৱীৰ অৱস্থা আদিতে কেনে আছিল ?

**উত্তৰঃ** মহাদেশীয় বিস্থাপন সূত্ৰ অনুসৰি ৩০০ নিযুত বছৰ পূৰ্বে পুৰাজীৱীয় কল্পৰ পাৰমিয়ান যুগত , অৰ্থাৎ গঠনৰ সময়ত পৃথিৱীৰ স্থলমণ্ডল কেৱল এটা একক ভূখণ্ড আছিল আৰু ইয়াক চাৰিওফালৰ পৰা জলমণ্ডলে আগুৰি আছিল । এই ভূখণ্ডটোক পেঞ্জিয়া আৰু চাৰিওফালে আগুৰি থকা জলমণ্ডলক পাছালা বুলি জনা গৈছিল ।

পৰৱৰ্তী সময়ত স্থলমণ্ডল বা পেঞ্জিয়াৰ সোঁমাজেৰে পূৰ্ব – পশ্চিমাকৈ এখন ঠেক তথা দীঘলীয়া সাগৰৰ সৃষ্টি হৈছিল যিয়ে সমগ্ৰ স্থলমণ্ডলক দুটা ভাগত বিভক্ত কৰিছিল । এই সাগৰখনক টেথিছ সাগৰ বুলি জনা যায় ।

দ্বিখণ্ডিত হোৱা স্থলমণ্ডলৰ উত্তৰৰ অংশটোক লৰেছিয়া আৰু দক্ষিণ অংশটোক গণ্ডোৱানালেণ্ড বুলি কোৱা হৈছিল । মধ্যজীৱীয় কল্পযুগত , অৰ্থাৎ প্ৰায় ২৫০ নিযুত বছৰ

পূর্বে মহাদেশীয় সঞ্চাৰণ তথা বিভাজনৰ ফলত লৰেছিয়া আৰু গণ্ডোৱানালেণ্ড বিভাজিত হৈ বৰ্তমানৰ সাতখন মহাদেশৰ সৃষ্টি হয় ।

এই সূত্ৰ অনুসৰি ,লৰেছিয়া বিভাজিত হৈ উত্তৰ আমেৰিকা , গ্ৰীনলেণ্ড আৰু ভাৰত উপমহাদেশৰ উত্তৰে অৱস্থিত ইউৰাোপ আৰু এছিয়া মহাদেশৰ সৃষ্টি হৈছিল ।

আনহাতে , দক্ষিণ আমেৰিকা , আফ্ৰিকা , মাদাগাস্কাৰ , ভাৰতবৰ্ষ , আৰব অঞ্চল , মালয়েছিয়া আৰু অষ্ট্ৰেলিয়া তথা এন্টাৰ্কটিকাকে ধৰি অন্যান্য অঞ্চলসমূহৰ সৃষ্টি হৈছিল গণ্ডোৱানালেণ্ডৰ পৰা ।

**৩। মহাসাগৰৰ তলিভাগৰ ভূ – অৱয়ৱ সম্পৰ্কে চমুকৈ লিখা ।**

**উত্তৰঃ** ভূপৃষ্ঠৰ প্ৰায় ৭১ শতাংশ জলভাগে আগুৰি আছে । পৃথিৱীৰ জলভাগ বিশেষকৈ প্ৰশান্ত মহাসাগৰ , আটলান্টিক মহাসাগৰ , ভাৰত মহাসাগৰ , উত্তৰ মহাসাগৰ আৰু দক্ষিণ মহাসাগৰ নামৰ পাঁচখন মহাসাগৰেৰে গঠিত ।

মহাসাগৰসমূহৰ তলিভাগৰ ভূ – প্ৰকৃতি তেনেই অসমান আৰু ইয়াতো স্থলমণ্ডলৰ দৰে কিছুমান ভূ – অৱয়ৱ আছে , যেনে – সামুদ্ৰিক শৈলসিৰা , সমুদ্ৰ খাত আদি । সমুদ্ৰৰ তলিত থকা এনে কিছুমান অতি গুৰুত্বপূৰ্ণ অৱয়ৱ **হৈছেঃ-**

( ক ) **মহীসাোপান :-** ভূখণ্ড বা উপকূল অঞ্চলৰ সৈতে সংযাোজিত হৈ থকা সাগৰ – মহাসাগৰৰ অগভীৰ অংশকে মহীসাোপান বুলি কোৱা হয় । ইয়াৰ গভীৰতা প্ৰায় ২০০ মিটাৰ পৰ্যন্ত হয় ।

( খ ) **মহীঢাল :-** মহীসাোপানৰ পিছত আৰম্ভ হাোৱা মহাসাগৰৰ বুকুৰ যথেষ্ট গভীৰ অংশক মহীঢাল বুলি কোৱা হয় । এই অঞ্চলটো সাধাৰণতে মহাসাগৰৰ মাজভাগৰ দিশলৈ এঢলীয়া হৈ পৰে।ইয়াৰ গভীৰতা প্ৰায় ২০০০ মিটাৰ পৰ্যন্ত হয় ।

( গ ) **গভীৰ সমুদ্ৰতলীয় দ্ৰোণী :-** মহীঢালৰ পিছত মহাসাগৰৰ মাজভাগত অৱস্থিত ভূ – অৱয়ৱকে গভীৰ সমুদ্ৰতলীয় দ্ৰোণী বুলি কোৱা হয় । ইয়াৰ গভীৰতা ৪০০০ মিটাৰ পৰ্যন্ত হয় ।

( ঘ ) **গভীৰ সামুদ্ৰিক খাত :-** মহাসাগৰৰ মাজভাগত প্ৰায় ৮০০০ মিটাৰ পৰ্যন্ত গভীৰতা থকা গভীৰ খাত থকা দেখা যায় । সকলাোবাোৰ সামুদ্ৰিক খাতৰ ভিতৰত প্ৰশান্ত মহাসাগৰৰ বুকুত থকা ১১,০২২ মিটাৰ গভীৰ মেৰিয়ানা বা চেলেঞ্জাৰ খাতেই হ'ল বিশ্বৰ সবাতাোকৈ গভীৰতম খাত ।

এইবাোৰৰ উপৰি সমুদ্ৰপৃষ্ঠৰ পৰা বহু ওপৰলৈ সামুদ্ৰিক শৈলসিৰা কিছুমান অ'ত ত'ত সিঁচৰিত হৈ ওলাই থকা দেখা যায় , ইয়াৰে ভিতৰত কিছুমানে সাগৰপৃষ্ঠৰ ওপ্ৰত দ্বীপ হিচাপে আৱিৰ্ভাৱ হয় ।

**৪। মহাসাগৰ আৰু মহাদেশসমূহৰ বিতৰণ সম্পৰ্কে চমুকৈ লিখা ।**

**উত্তৰঃ** পৃথিৱীপৃষ্ঠৰ স্থলভাগেৰে গঠিত অংশটোক স্থলমণ্ডল বুলি কোৱাৰ বিপৰীতে জলভাগেৰে গঠিত অংশটোক জলমণ্ডল বুলি কোৱা হয় । ভৌগাোলিকভাৱে স্থলমণ্ডলক চাৰিটা বৃহৎ অংশ বা গাোটত বিভক্ত কৰা **হৈছে :-**

( ক ) **প্ৰথম অংশ :-** এই অংশটো এছিয়া , আফ্ৰিকা আৰু ইউৰাোপ মহাদেশেৰে গঠিত ।

( খ ) **দ্বিতীয় অংশ :-** এই অংশটো উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকাৰে গঠিত ।

( গ ) **তৃতীয় অংশ :-** অষ্ট্ৰেলিয়া আৰু সমীপৱৰ্তী দ্বীপসমূহ লগলাগি গঠিত হৈছে । :

( ঘ ) **চতুৰ্থ অংশ :-** কোনাোমতে দুই – এক স্থায়ী জনবসতি থকা এন্টাৰ্কটিকা মহাদেশেৰে গঠিত ।

***আনহাতে পৃথিৱীৰ জলমণ্ডলক পৰস্পৰৰ সৈতে সংযাোগ থকা পাঁচখন মহাসাগৰত ভাগ কৰা হৈছে :-***

( ক ) **প্ৰশান্ত মহাসাগৰ :-** ই হৈছে বিশ্বৰ সৰ্ববৃহৎ মহাসাগৰ । এই মহাসাগৰখন পশ্চিমে এছিয়া , পূৱে উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা মহাদেশৰ মাজত অৱস্থিত ।

( খ ) **আটলান্টিক মহাসাগৰ :-** ই হৈছে বিশ্বৰ দ্বিতীয় বৃহৎ মহাসাগৰ । এই মহাসাগৰখন পশ্চিমে উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা , তথা পূৱে ইউৰাোপ আৰু আফ্ৰিকা মহাদেশৰ মাজত অৱস্থিত ।

( গ ) **ভাৰত মহাসাগৰ :-** এই মহাসাগৰখন এছিয়া মহাদেশৰ দক্ষিণে , আফ্ৰিকা মহাদেশৰ পূবে আৰু ওচেনিয়া মহাদেশৰ পশ্চিমে অবস্থিত ।

( ঘ ) **দক্ষিণ মহাসাগৰ :-** এই মহাসাগৰখন দক্ষিণ আমেৰিকা , আফ্ৰিকা আৰু ওচেনিয়া মহাদেশৰ দক্ষিণ দিশে অৱস্থিত ।

( ঙ ) **উত্তৰ মহাসাগৰ :-** এই মহাসাগৰখন উত্তৰ আমেৰিকা , ইউৰােপ আৰু এছিয়া মহাদেশৰ উত্তৰে অৱস্থিত । জলমণ্ডলৰ প্ৰায় ৫৭ শতাংশই দক্ষিণ গােলাৰ্ধ উভয়তে আৱদ্ধ হােৱাৰ বিপৰীতে স্থলমণ্ডলৰ প্ৰায় ৬৭ শতাংশ উত্তৰ গােলাৰ্ধত অৱস্থিত ।

পাঁচখন মহাসাগৰৰ ভিতৰত প্ৰশান্ত মহাসাগৰ , আটলান্টিক মহাসাগৰ আৰু ভাৰত মহাসাগৰ নামৰ মহাসাগৰ তিনিখন স্থানিকভাৱে উত্তৰ গােলাৰ্ধ আৰু দক্ষিণ গােলাৰ্ধ উভয়তে বিস্তৃত হৈ থকাৰ বিপৰীতে দক্ষিণ মহাসাগৰ কেৱল দক্ষিণ গােলাৰ্ধত আৰু উত্তৰ মহাসাগৰ কেৱল উত্তৰ গােলাৰ্ধত অৱস্থিত ।

**৫। পৃথিৱীৰ স্থলভাগৰ উপৰিভাগত থকা ভূ – অৱয়ৱসমূহৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** ভূপৃষ্ঠৰ প্ৰায় ২৯ শতাংশ স্থলমণ্ডলেৰে গঠিত।স্থলমণ্ডলৰ ভূপ্ৰকৃতি অসমান ধৰণৰ আৰু ই পাহাৰ – পৰ্বত , মালভূমি , সমভূমি , উপকূলীয় অঞ্চল , নদী উপত্যকা আদিৰে গঠিত । পৃথিৱীৰ স্থলভাগৰ ভূ – অৱয়ৱ স্থানভেদে ভিন্ন হােৱা বাবে মহাদেশসমূহৰ সকলােতে ভূপ্ৰকৃতি একেধৰণৰ নহয় ।

এক নিৰ্দিষ্ট স্থানৰ অৱয়বৰ বৈশিষ্ট্য সাপেক্ষে ভূপ্ৰকৃতিৰ তাৰতম্য ঘটে । উচ্চতা , নদ নদীৰ উপস্থিতি , জলবায়ু তথা উদ্ভিদ আদিয়ে এখন ঠাইৰ ভূপ্ৰকৃতিৰ ওপৰত বাৰুকৈ প্ৰভাৱ পেলায় । প্ৰায়বােৰ মহাদেশতে কেইবাটাও সুউচ্চ পৰ্বতমালা বিস্তৃত হৈ আছে ।

উদাহৰণস্বৰূপে এছিয়া মহাদেশত অৱস্থিত হিমালয় পূৰ্বতমালাৰ ৮,৮৪৮ মিটাৰ ওখ এভাৰেষ্ট শৃংগ হৈছে বিশ্বৰ সবাতােকৈ ওখ শৃংগ । আনহাতে এছিয়া মহাদেশতে বিশ্বৰ উচ্চতম মালভূমি পামিৰ মালভূমিৰ লগতে বহুতাে সুউচ্চ মালভূমি থকা পৰিলক্ষিত হয় ।

তদুপৰি নদী উপত্যকাবােৰাে ভূপৃষ্ঠৰ এক অতি গুৰুত্বপূৰ্ণ ভূ – অৱয়ৱ । সমগ্ৰ মহাদেশবােৰৰ মাজেৰে বৃহৎ সমভূমিসমূহ বিস্তৃত হৈ থকাৰ বিপৰীতে সীমান্ত অঞ্চলত উপকূলীয় সমভূমিসমূহৰ উপস্থিতিয়ে মহাদেশসমূহৰ ভূ – অৱয়ৱ অসমান কৰি ৰাখিছে ।

**৬। এছিয়া মহাদেশৰ প্ৰাকৃতিক বৈশিষ্ট্যসমূহ চমুকৈ আলােচনা কৰা ।**

**উত্তৰঃ** এফালে সুউচ্চ পৰ্বতমালা আৰু মালভূমিৰ অৱস্থিতি আৰু আনফালে নদী উপত্যকা , নিম্নভূমি আৰু সমভূমিৰ উপস্থিতিৰে এছিয়া মহাদেশৰ ভূপ্ৰকৃতি যথেষ্ট তাৰতম্যতাপূৰ্ণ । বহুতো দ্বীপ আৰু মৰুভূমিও ইয়াত বিৰাজমান ।

( ক ) **পৰ্বতমালা :-** এছিয়া মহাদেশৰ মধ্যাংশটো কেইবাটাও গুৰুত্বপূৰ্ণ পৰ্বতমালাৰে গ্ৰঠিত :

১। এছিয়া মহাদেশৰ উত্তৰৰ পৰা দক্ষিণলৈ থকা ইউৰাল পৰ্বতমালাই মহাদেশখনৰ পশ্চিম সীমাটো গঠন কৰিছে ।

২। মহাদেশখনৰ পূবৰ পৰা পশ্চিমলৈ বিভিন্ন শাখা – পৰ্বতেৰে হিমালয় পৰ্বতমালা বিস্তৃত হৈ আছে । বিশ্বৰ সৰ্বোচ্চ শৃংগ এভাৰেষ্ট ইয়াতেই অৱস্থিত।

৩। পৃথিৱীৰ দ্বিতীয় বৃহৎ শৃংগ গডউইন অষ্টিন বা ‘কে – টু’ও এছিয়া মহাদেশৰ কাৰাকোৰাম পৰ্বতমালাত অৱস্থিত । অন্যান্য পৰ্বতমালা হৈছে কুনলুন পৰ্বতমালা , আলটাইন পৰ্বতমালা , টিয়েনচান পৰ্বতমালা , আলটাই আৰু আৰাৱলী পৰ্বতমালা ।

( খ ) **মালভূমি :-** বিশ্বৰ উচ্চতম মালভূমি পামিৰ মালভূমিও এছিয়া মহাদেশতে অৱস্থিত । এছিয়া মহাদেশত অৱস্থিত । অন্যান্য গুৰুত্বপূৰ্ণ মালভূমিকেইটা হৈছে তিব্বত মালভূমি , ছাইবেৰিয়া মালভূমি , মংগােলীয় মালভূমি , দাক্ষিণাত্য মালভূমি , আৰব মালভূমি আৰু ইৰাণ মালভূমি আদি ।

( গ ) **নদ – নদীসমূহ :-** এছিয়া মহাদেশত বিভিন্ন পৰ্বতীয়া উচ্চভূমি অঞ্চলৰ পৰা কেইবাটাও বৃহৎ নদীৰ উৎপত্তি হৈ সাগৰ মহাসাগৰলৈ বৈ গৈছে আৰু এনেদৰে বৈ যাওঁতে উত্তৰ , পূব আৰু দক্ষিণ দিশত বৃহৎ সাৰুৱা সমভূমি আৰু বদ্বীপ গঠন কৰিছে । মহাদেশখনৰ দক্ষিণ – মধ্য অংশত সিন্ধু , গংগা আৰু ব্ৰহ্মপুত্ৰ আদি প্ৰধান নদী বৈ থকাৰ বিপৰীতে উত্তৰ অংশত ওব , মেনিছি আৰু লেনা নদী বৈ গৈছে ।

আনহাতে পূৰ্ব অংশত আমুৰ , হাােৱাংহাা , ইয়াংজে কিয়াং , চিকিয়াং আদি প্ৰধান নৈ বৈ গৈছে আৰু দক্ষিণ তথা দক্ষিণ – পূৰ্ব অংশত নৰ্মদা , তাপ্তি , মহানদী , গাােদাবৰী , কৃষ্ণা , কাৱেৰী , বৰাক , মে’নাম , ইৰাৱতী , মেকং আদি নৈ বৈ গৈছে ।

( ঘ ) **সমভূমি :-** সকলোবাােৰ প্ৰধান নদীয়েই বৃহৎ সাৰুৱা সমভূমি আৰু ব – দ্বীপ গঠন কৰিছে ।

( ঙ ) **হ্ৰদ :-** এছিয়া মহাদেশত সৰু বৰ বহুতাা হ্ৰদ আছে । ইয়াৰে ভিতৰত গুৰুত্বপূৰ্ণ হ্ৰদসমূহ হৈছে — বলখাচ , বৈকাল , চিল্কা , চম্বৰ , ডাল , পুলিকট , কল্লেৰু , লাােকটাক আদি ।

( চ ) **মৰুভূমি :-** এছিয়া মহাদেশত থৰ আৰু আৰব মৰুভূমিৰ দৰে উষ্ণ মৰুভূমিৰ লগতে গা◌েবি মৰুভূমিৰ দৰে শীতল মৰুভূমিও আছে ।

( ছ ) **দ্বীপ :-** প্ৰশান্ত মহাসাগৰৰ প্ৰায়বা◌েৰ দ্বীপেই এছিয়া মহাদেশৰ অন্তৰ্গত এই দ্বীপসমূহ হৈছে জাপান , টাইৱান , ফিলিপাইন , জাভা , সুমাত্ৰা আৰু বৰ্ণিম’ আদি । আন্দামান – নিকোবৰ , শ্ৰীলংকা , লাক্ষাদ্বীপ , মালদ্বীপ , বাহৰেইন আদিৰ দৰে ভাৰত মহাসাগৰৰ দ্বীপসমূহে এছিয়া মহাদেশৰে অন্তৰ্গত ।

**৭। কাৰণ দৰ্শাই উত্তৰ লিখাঃ**

*( ক ) পৃথিৱীৰ মুঠ জনসংখ্যা প্ৰায় ৯০ শতাংশই উত্তৰ গা◌েলাৰ্ধত গৃপ খাই আছে কিয় ?*

**উত্তৰঃ** দেখা যায় যে পৃথিৱীৰ জলমণ্ডলৰ প্ৰায় ৫৭ শতাংশ জলভাগ দক্ষিণ গা◌েলাৰ্ধত আবদ্ধ থকাৰ বিপৰীতে মুঠ স্থলমণ্ডলৰ প্ৰায় ৬৭ শতাংশ উত্তৰ গা◌েলাৰ্ধত অৱস্থিত । অৰ্থাৎ দেখা যায় যে দক্ষিণ গা◌েলাৰ্ধৰ তুলনাত উত্তৰ গা◌েলাৰ্ধত ভূমি বা ভূখণ্ডৰ উপস্থিতি যথেষ্ট পৰিমাণে বেছি ।

সেয়েহে , এই অঞ্চলটোৰ জনসংখ্যা দক্ষিণ গা◌েলাৰ্ধতকৈ বেছি য’ত কেৱল ৩৩ শতাংশহে স্থলভাগ আছে । জনবসতিহীন এন্টাৰ্কটিকা মহাদেশৰ বৃহৎ অংশও ইয়াৰ অন্তৰ্ভুক্ত । দ্বিতীয়তে , উত্তৰ গা◌েলাৰ্ধ ইয়াৰ উত্তম জলবায়ুৰ লগতে জীৱন ধাৰণ তথা মানৱ কাৰ্যকলাপৰ হকে প্ৰয়া◌েজন হা◌েৱা অনুকূল ভৌগা◌েলিক অস্থাৰ বাবে পৰিচিত ।

ইয়াৰ বিশাল সমভূমি অঞ্চল , অসংখ্য নদ – নদী , চহকী প্ৰাকৃতিক সম্পদ আদিয়ে ইয়াৰ জনসংখ্যা গাঁথনি বৃদ্ধি কৰিছে । সেয়েহে , পৃথিৱীৰ মুঠ জনসংখ্যা প্ৰায় ৯০ শতাংশতকৈ অধিক লা◌েক উত্তৰ । গা◌েলাৰ্ধত থুপ খাই আছে।

*( খ ) এছিয়া মহাদেশৰ জলবায়ু বৈচিত্ৰ্যময় কিয় ?*

**উত্তৰঃ** এছিয়া মহাদেশৰ এটা অন্যতম অদ্বিতীয় বৈশিষ্ট্য হ’ল ইয়াৰ তাৰতম্যতাপূৰ্ণ জলবায়ু । এছিয়া মহাদেশৰ প্ৰায়খিনি ভূখণ্ড উত্তৰ গা◌েলাৰ্ধত অৱস্থিত । এই ভূখণ্ডই বিষুৱ ৰেখা , কৰ্কট ক্ৰান্তীয় অঞ্চল তথা মেৰু  অঞ্চল স্পৰ্শ কৰি আছে যাৰ ফলস্বৰূপে মহাদেশখনত ভিন্ন জলবায়ু বিৰাজ কৰে ।

তদুপৰি , মহাদেশখন তিনিফালৰ পৰা  জলভাগেৰে আগুৰি আছে , যিয়ে এছিয়া মহাদেশৰ জলবায়ুৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে ।

ইয়াৰােপৰি মহাদেশখনত পৰ্বত – পাহাৰ , অসংখ্য নদ-নদী , ঘন অৰণ্য , বিশাল সমভূমি , মালভূমি , মৰুভূমি , উপকূলীয় অঞ্চল আদিৰ দৰে বিভিন্ন প্ৰকাৰৰ ভূ – অৱয়ব আছে যিবাােৰে মহাদেশখনৰ অঞ্চলভেদে জলবায়ু বিভিন্ন ধৰণৰ হাােৱাত অৰিহণা যাােগাইছে । এইবাােৰ কাৰণতে এছিয়া মহাদেশৰ জলবায়ু বৈচিত্ৰ্যময় ।

*( গ ) এন্টাৰ্কটিকা মহাদেশত মানুহৰ স্থায়ী বসতি নাই কিয় ?*

**উত্তৰঃ** এন্টাৰ্কটিকা মহাদেশত স্থায়ী জনবসতিৰ সংখ্যা তেনেই নগণ্য । এনে হাােৱাৰ কাৰণ হ'ল তাত থকা অতি শীতল জলবায়ুৰ উপস্থিতি । বছৰটোৰ প্ৰায় সময়তে সমগ্ৰ অঞ্চলটো বৰফাবৃত হৈ থাকে । যিটোৱে তাত জীৱন ধাৰণ প্ৰণালীটো অতি কষ্টকৰ কৰি তাােলে ।

দ্বিতীয়তে , এনেধৰণৰ বতৰ বা জলবায়ুৰ উপস্থিতিত মানৱ জীৱন – যাপনৰ বাবে প্ৰয়াােজনীয় ক্ৰিয়াকলাপ , যেনে – কৃষিকাৰ্য , উদ্যোগ , ব্যৱসায় – বাণিজ্য আদি সম্ভৱ নহয় । সেয়েহে এন্টাৰ্কটিকা অঞ্চলত মানুহৰ স্থায়ী বসতি নাই ।

**৮। তলৰ প্ৰশ্নবাােৰৰ চমু উত্তৰ দিয়া :**

( ক ) এছিয়া আৰু ইউৰাােপ মহাদেশৰ মাজত থকা প্ৰাকৃতিক সীমা কিহে সৃষ্টি কৰিছে ?

**উত্তৰঃ** ইউৰাল পৰ্বতমালা আৰু ইউৰাল নদীয়ে এছিয়া আৰু ইউৰাােপ মহাদেশৰ মাজত প্ৰাকৃতিক সীমাৰ সৃষ্টি কৰিছে ।

**( খ ) পৃথিৱীৰ দীৰ্ঘতম পৰ্বতমালা কোনটো আৰু ক'ত অৱস্থিত ?**

**উত্তৰঃ** পৃথিৱীৰ দীৰ্ঘতম পৰ্বতমালাটোৰ নাম হ'ল 'এণ্ডিজ পৰ্বতমালা । এই পৰ্বতমালা দক্ষিণ আমেৰিকা মহাদেশৰ পশ্চিমাংশত অৱস্থিত ।

**( গ ) মাটিকালিৰ ভিত্তিত পৃথিৱীৰ বৃহত্তম আৰু ক্ষুদ্ৰতম মহাদেশৰ নাম লিখা ।**

**উত্তৰঃ** মাটিকালিৰ ফালৰ পৰা পৃথিৱীৰ বৃহত্তম আৰু ক্ষুদ্ৰতম মহাদেশ দুখন হ'ল ক্ৰমে এছিয়া আৰু ওছেনিয়া মহাদেশ ।

**( ঘ ) পৃথিৱীৰ কোনখন দেশ কোন দুখন মহাদেশলৈ বিস্তৃত ?**

**উত্তৰঃ** পৃথিৱীৰ দুখন মহাদেশত বিস্তৃত হৈ থকা দেশখন হৈছে ৰাছিয়া । ই এছিয়া আৰু ইউৰাােপ দুয়াোখন মহাদেশতে বিস্তৃত হৈ আছে ।

**( ঙ ) মাটিকালিৰ ভিত্তিত পৃথিৱীৰ বৃহত্তম আৰু ক্ষুদ্ৰতম দেশৰ নাম লিখা ।**

**উত্তৰঃ** মাটিকালিৰ ফালৰ পৰা পৃথিৱীৰ বৃহত্তম আৰু ক্ষুদ্ৰতম দেশ দুখন হ'ল ক্ৰমে ৰাছিয়া আৰু ভেটিকান চিটি ।

**( চ ) উত্তৰ আমেৰিকা মহাদেশৰ প্ৰধান পৰ্বত শ্ৰেণীটোৰ নাম কি ? এই পৰ্বতমালাৰ দৈৰ্ঘ্য কিমান আৰু ই মহাদেশৰ কোন অংশত অৱস্থিত ?**

**উত্তৰঃ** উত্তৰ আমেৰিকা মহাদেশৰ প্ৰধান পৰ্বত শ্ৰেণীটোৰ নাম হ'ল ৰকি পৰ্বতমালা । ই মহাদেশখনৰ পশ্চিম অংশত অৱস্থিত ।

**( ছ ) পৃথিৱীৰ বৃহত্তম মৰুভূমি কোনখন আৰুই ক'ত অৱস্থিত ?**

**উত্তৰঃ** পৃথিৱীৰ বৃহত্তম মৰুভূমিখন হৈছে চাহাৰা মৰুভূমি।ই আফ্ৰিকা মহাদেশৰ দক্ষিণ অংশত অৱস্থিত ।

**( জ ) এছিয়া মহাদেশৰ দুখনকৈ উত্তৰ দিশলৈ প্ৰবাহিত আৰু পূব দিশলৈ প্ৰবাহিত নদীৰ নাম লিখা ।**

**উত্তৰঃ** এছিয়া মহাদেশৰ উত্তৰ দিশলৈ প্ৰবাহিত হাােৱা দুখন নদী হৈছে 'ওব' আৰু 'লেনা' । আনহাতে পূৰ্ব দিশলৈ প্ৰবাহিত দুখন নদী হৈছে 'ইয়াংজে' আৰু 'কিয়াং নদী' ।

**( ঝ ) অষ্ট্ৰেলিয়াৰ একোখনকৈ প্ৰধান পৰ্বত শ্ৰেণী , নদী আৰু মৰুভূমিৰ নাম লিখা ।**

**উত্তৰঃ** অষ্ট্ৰেলিয়াৰ প্ৰধান পৰ্বতশ্ৰেণীঃ গ্ৰেট ডিভাইডিং ৰেঞ্জ ; প্ৰধান নদী : ডাৰ্লিং নদী ; আৰু ইয়াৰ প্ৰধান মৰুভূমি:গ্ৰেট ভিক্টোৰিয়া মৰুভূমি ।

**( ঞ ) ইউৰাােপ মহাদেশৰ অন্তৰ্গত তথা ভূমধ্যসাগৰীয় অঞ্চলত অৱস্থিত তিনিখন দেশৰ নাম লিখা ।**

**উত্তৰঃ** ইউৰাে পমহাদেশৰ অন্তৰ্গত তথা ভূমধ্যসাগৰীয় অঞ্চলত অৱস্থিত তিনিখন দেশ হৈছে 'ইটালী , ফ্ৰান্স, আৰু গ্ৰীচ ।

**৯ । চমুটোকা লিখাঃ**

**( ক ) পেঞ্জিয়া ( খ ) উত্তৰ মহাসাগৰ ( গ ) ওছেনিয়া মহাদেশ ( ঘ ) এছিয়া মহাদেশৰ নদ-নদী ( ঙ ) আফ্ৰিকা মহাদেশৰ হ্ৰদসমূহ ( চ ) ইউৰােপমহাদেশৰ নদনদী ( ছ ) আপেলেছিয়ান উচ্চভূমি অঞ্চল ( জ ) উত্তৰ আমেৰিকা মহাদেশৰ হ্ৰদসমূহ**

**উত্তৰঃ ( ক ) পেঞ্জিয়া :-** পৃথিৱীৰ উৎপত্তিক লৈ কেইবাটাও সূত্ৰ বা তত্ত্ব আছে । এইক্ষেত্ৰত সূত্ৰসমূহৰ ভিতৰত এটা অন্যতম গুৰুত্বপূৰ্ণ সূত্ৰ হৈছে , মহাদেশীয় বিস্থাপন সূত্ৰ । এই সূত্ৰটোৰ সমৰ্থকসকলে ভাবে যে আজিৰ পৰা ৩০০ নিযুত বছৰ পূৰ্বে পৃথিৱীৰ স্থলমণ্ডল কেৱল এটা একক ভূখণ্ড আছিল আৰু ইয়াক চাৰিওফালৰ পৰা বিশাল জলভাগে আগুৰি আছিল ।

এই একক ভূখণ্ডটোকে পেঞ্জিয়া বুলি জনা গৈছিল আৰু চৌকাষৰ জলভাগক পান্থালাছা বাােলা হৈছিল । পৰৱৰ্তী সময়ত পেঞ্জিয়াৰ উত্তৰা – দক্ষিণাকৈ বিভাজন ঘটে উত্তৰ অংশটোক লৰেছিয়া আৰু দক্ষিণ অংশটোক গণ্ডোৱানালেণ্ড বাােলা হয় । এই দুই অংশৰ পুনৰ বিভাজন ঘটি বৰ্তমান মহাদেশসমূহৰ সৃষ্টি হৈছিল ।

**( খ ) উত্তৰ মহাসাগৰ :-** বিশ্বৰ পাঁচোখন মহাসাগৰৰ ভিতৰত উত্তৰ মহাসাগৰ হৈছে সবাতােকৈ সৰু মহাসাগৰ । ই প্ৰায় ১৪ নিযুত বৰ্গ কিঃমিঃ আগুৰি আছে। ই উত্তৰ মেৰুৰ চাৰিওফালে বিস্তৃত হৈ থকা বাবে ইয়াৰ আকাৰ ঘূৰণীয়া।

তদুপৰি ইয়াক এছিয়া , ইউৰােপ আৰু উত্তৰ আমেৰিকা মহাদেশকেইখনে আগুৰি আছে । ইয়াৰ গড় গভীৰতা হ'ল প্ৰায় ৩,৫০০ মিটাৰ । উত্তৰ মেৰুৰ চাৰিওফালে বিস্তৃত হােৱাৰ বাবে বছৰটোৰ বেছিভাগ সময় ই ডাঠ বৰফেৰে ঢাক খাই থাকে ।

**( গ ) ওছেনিয়া মহাদেশ :-** ওছেনিয়া মহাদেশখন অষ্ট্ৰেলিয়া মহাদ্বীপকে ধৰি নিউজিলেণ্ড , টাছমেনিয়া , নিউগিনি আদিৰ দৰে অন্য কেইবাটাও সৰু বৰ দ্বীপেৰে গঠিত । ই সম্পূৰ্ণভাৱে দক্ষিণ গােলাৰ্ধত অৱস্থিত । মােটামুটিভাৱে ই উত্তৰে ০ ডিগ্ৰী নিৰক্ষীয় ৰেখাৰ পৰা দক্ষিণে ৪৮ ° দক্ষিণ অক্ষাংশলৈ আৰু ১৮০ ° দ্ৰাঘিমাংশৰ পৰা পশ্চিমে ১১৩ ° পূৰ্ব দ্ৰাঘিমাংশলৈ বিস্তৃত ।

ওছেনিয়া মহাদেশ উত্তৰে দক্ষিণ – পূৰ্ব এছিয়াৰ জাভা , চুমাত্ৰা , চেলেবিছ আদি দ্বীপসমূহৰ লগতে প্ৰশান্ত মহাসাগৰে আগুৰি থকাৰ বিপৰীতে দক্ষিণে দক্ষিণ মহাসাগৰ আৰু পূবে প্ৰশান্ত মহাসাগৰে আগুৰি আছে ।

আনহাতে , পশ্চিম দিশত আছে ভাৰত মহাসাগৰ । মহাদেশখনৰ মুঠ মাটিকালি হৈছে ৮ নিযুত বৰ্গ কিঃমিঃ যি বিশ্বৰ মুঠ মাটিকালিৰ প্ৰায় ৫.৪ শতাংশ । অষ্ট্ৰেলিয়াকে ধৰি ওছেনিয়া মহাদেশৰ অন্তৰ্গত মুঠ দেশৰ সংখ্যা হৈছে ১৪ খন । ইয়াৰ মুঠ জনসংখ্যা হৈছে প্ৰায় ৩৮ নিযুত । অষ্ট্ৰেলিয়া হৈছে ওছেনিয়া মহাদেশৰ সৰ্ববৃহৎ দেশ ।

**( ঘ ) এছিয়া মহাদেশৰ নদ-নদী :-** এছিয়া মহাদেশত পৰ্বত – পাহাৰ তথা মালভূমিৰ উচ্চভূমি অঞ্চলৰ পৰা বহুতাে বৃহৎ বৃহৎ নদীৰ উৎপত্তি হৈ উত্তৰ , দক্ষিণ আৰু পূব দিশত থকা সাগৰ – মহাসাগৰসমূহলৈ বৈ গৈ কেইবাখনাে বিশাল উৰ্বৰ সমভূমিৰ লগতে ব – দ্বীপৰ সৃষ্টি কৰিছে ।

এইবােৰৰ প্ৰধান নদীসমূহ হৈছে মহাদেশখনৰ দক্ষিণ – মধ্যাংশত বৈ থকা সিন্ধু , গংগা আৰু ব্ৰহ্মপুত্ৰ ; উত্তৰ অংশত বৈ থকা য়েনিছি , ওব আৰু লেনা ; পূব অঞ্চলত বৈ থকা আমুৰ , হাােৱাংহাে , ইয়াংজে কিয়াং , ছিকিয়াং আৰু দক্ষিণ তথা দক্ষিণ – পূৰ্ব অংশত বৈ থকা নৰ্মদা , তাপ্তী , মহানদী , গােদাবৰী , কৃষ্ণা , কাবেৰী , বৰাক , ইৰাৱতী আৰু মেকং ।

এই নদীসমূহে নিজ নিজ অৱবাহিকাৰে প্ৰবাহিত হৈ মহাদেশখনৰ বিভিন্ন অঞ্চল অতিকৈ সাৰুৱা কৰি তুলি জনবসতিপূৰ্ণ কৰাৰ লগতে ব্যৱসায় – বাণিজ্যৰ শ্ৰীবৃদ্ধিত অৰিহণা যােগাইছে ।

**( ঙ ) আফ্ৰিকা মহাদেশৰ হ্ৰদসমূহ :-** আফ্ৰিকা মহাদেশত অসংখ্য হ্ৰদ আছে । এই হ্ৰদসমূহৰ ভিতৰত অতিকৈ গুৰুত্বপূৰ্ণ হ্ৰদসমূহ হ’ল ভিক্টোৰিয়া , এলবাৰ্ট , টাংগানিকা , চাড , ভােল্টা , ন্যাচা , কেব’ৰা বাচ্চা , মালাৱি , টুৰ্কানা , কিভু , কোচ্চৌ , এৰে আদি ।

**( চ ) ইউৰােপ মহাদেশৰ নদ – নদী :-** ইউৰােপ মহাদেশত অসংখ্য সৰু বৰ নদ – নদী আছে । এইবােৰৰ ভিতৰত প্ৰধান নদীসমূহ হৈছে – স্পেইনৰ এলব্ৰো নদী , ফ্ৰান্সৰ ৰােণ আৰু ছেইন নদী , জাৰ্মানীৰ ৰাইন আৰু এলবে নদী , পােলেণ্ডৰ ওডাৰ আৰু ভিষ্টুলা , অষ্ট্ৰিয়া হাংগেৰী আৰু ৰােমানিয়াৰ ডানিয়ুব , বেলাৰুচ আৰু ইউক্ৰেইনৰ নিপাৰ , ইটালীৰ পাে , গ্ৰেট ব্ৰিটেইনৰ থেমচ , ৰাছিয়াৰ ডন , ভল্গ আৰু ইউৰাল আদি ।

**( ছ ) আপেলেছিয়ান উচ্চভূমি অঞ্চল :-** আমেৰিকা যুক্তৰাষ্ট্ৰৰ পূব অংশত আটলান্টিক মহাসাগৰৰ সমান্তৰালভাৱে অৱস্থিত উচ্চভূমি অঞ্চলক আপেলেছিয়ান উচ্চভূমি অঞ্চলবুলি জনা যায়। ই উত্তৰে নিউফাউণ্ডলেণ্ডৰ পৰা দক্ষিণে ফ্লোৰিডালৈ বিস্তৃত হৈ আছে ।

এই উচ্চভূমি অঞ্চল অতিকৈ ওখৰা – মাোখাোৰা যিহেতু ই বিভিন্ন পৰ্বত – পাহাৰ , ঠেক উপত্যকা তথা ভগ্ন মালভূমিৰে গঠিত । এই অঞ্চলৰ পূবে এলিঘেনি পৰ্বতশ্ৰেণী আৰু দক্ষিণে ব্লুৰিজ পৰ্বতশ্ৰেণী আছে । এই অঞ্চলৰ নদীসমূহ হৈছে ওহিঅ ' , টেনেছি , হাডছন ইত্যাদি ।

**( জ ) উত্তৰ আমেৰিকা মহাদেশৰ হ্ৰদসমূহ :-** সমগ্ৰ বিশ্বৰ ভিতৰত উত্তৰ আমেৰিকা মহাদেশতে হ্ৰদৰ সংখ্যা সৰ্বাধিক । উত্তৰ আমেৰিকাৰ হ্ৰদসমূহৰ ভিতৰত সৰ্ববৃহৎ হ্ৰদটো হৈছে উটাহৰ গ্ৰেট ছল্ট হ্ৰদ । উত্তৰ আমেৰিকাৰ অন্যান্য গুৰুত্বপূৰ্ণ হ্ৰদসমূহ হ'ল- গ্ৰেট শ্লেভ , গ্ৰেট বিয়াৰ , ছুপিৰিঅ'ৰ , মিচিগান , ওন্টেৰিঅ ' , এৰি আৰু হুৰ'ন ।

**১০। পাৰ্থক্য লিখা ।**

**( ক ) মহীসাোপান আৰু মহীঢাল ।**

**উত্তৰঃ** মহীসাোপান আৰু মহীঢালৰ মাজত থকা পাৰ্থক্যসমূহ হলঃ-

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | মহীসোপান | মহীঢাল |
|---|---|---|---|
| ১। | অৰ্থ | উপকূলৰ সৈতে সংযোজিত হৈ থকা সাগৰ-মহাসাগৰৰ অগভীৰ অংশ। | মহীসোপানৰ সৈতে সংযোজিত গভীৰ তথা ক্ৰমে মহাসাগৰৰ মধ্যভাগলৈ এঢলীয়াকৈ আগবাঢ়ি যোৱা অংশ। |
| ২। | ঢালৰ প্ৰকৃতি | মৃদু ঢাল থাকে। | থিয় ঢাল থাকে। |
| ৩। | গভীৰতা | ২০০ মিটাৰ পৰ্যন্ত হয়। | ২০০০ মিটাৰ পৰ্যন্ত হয়। |

**( খ ) এভাবেষ্ট শৃংগ আৰু গডউইন অষ্টিন শৃংগ ।**

**উত্তৰঃ** এভাৰেষ্ট শৃংগ আৰু গডউইন অষ্টিন শৃংগৰ মাজত থকা পাৰ্থক্য হ'ল-

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | এভাৰেষ্ট শৃংগ | গডউইন অষ্টিন শৃংগ |
|---|---|---|---|
| ১। | অৱস্থান | ই এছিয়া মহাদেশৰ হিমালয় পৰ্বতমালাত অৱস্থিত। | ই এছিয়া মহাদেশৰ কাৰাকোৰাম পৰ্বতমালাত অৱস্থিত। |
| ২। | উচ্চতা | ইয়াৰ উচ্চতা হ'ল ৮,৮৪৮ মিটাৰ। | ইয়াৰ উচ্চতা হ'ল ৮,৬১১ মিটাৰ। |
| ৩। | উচ্চতাভিত্তিক স্থান | বিশ্বৰ সবাতোকৈ উচ্চতম শৃংগ। | বিশ্বৰ ভিতৰত দ্বিতীয় উচ্চতম শৃংগ। |
| ৪। | বিকল্প নাম | অন্য কোনো নাম নাই। | মাউণ্ট $K_2$। |

**( গ ) ওছেনিয়া মহাদেশ আৰু এন্টাৰ্কটিকা মহাদেশ ।**

**উত্তৰঃ** ওছেনিয়া মহাদেশ আৰু এন্টাৰ্কটিকা মহাদেশৰ মাজত থকা পাৰ্থক্যসমূহ হ'ল :-

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | ওছেনিয়া মহাদেশ | এন্টাৰ্কটিকা মহাদেশ |
|---|---|---|---|
| ১। | দেশৰ সংখ্যা | অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আদি ১৪ খন দেশেৰে গঠিত। | এন্টাৰ্কটিকা কোনো দেশ হিচাপে বিভাজিত হোৱা নাই। |
| ২। | ভূ-প্ৰকৃতি | ইয়াত পৰ্বত-পাহাৰ, মালভূমি, সমভূমি তথা নদ-নদীৰ দৰে ভূ-অৱয়ব পৰিলক্ষিত হয়। | ইয়াৰ ভূ-প্ৰকৃতি ঘন বৰফৰ তৰপেৰে আবৃত হৈ থকা দেখা যায়। |
| ৩। | জনসংখ্যা | প্ৰায় ৩৮ নিযুতৰ ওপৰত। | ইয়াত কোনো স্থায়ী জনবসতি নাই। |

**( ঘ ) গোবি মৰুভূমি আৰু আটাকামা মৰুভূমি ।**

**উত্তৰঃ** গোবি মৰুভূমি আৰু আটাকামা মৰুভূমিৰ মাজৰ পাৰ্থক্যসমূহ হ'ল-

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | গোবি মৰুভূমি | আটাকামা মৰুভূমি |
|---|---|---|---|
| ১। | অৱস্থান | ই এছিয়া মহাদেশত অৱস্থিত। | ই দক্ষিণ আমেৰিকা মহাদেশত অৱস্থিত। |
| ২। | মৰুভূমিৰ প্ৰকাৰ | এইখন এখন শীতল মৰুভূমি। | এইখন এখন উষ্ণ মৰুভূমি। |

**১১। শুদ্ধ উত্তৰটো বাছিউলিওৱা :**

**( ক ) পৃথিৱীৰ দ্বিতীয় বৃহত্তম মহাসাগৰ কোনখন ?**

**( ১ ) প্ৰশান্ত মহাসাগৰ ( ২ ) ভাৰত মহাসাগৰ ( ৩ ) আটলান্টিক মহাসাগৰ ( ৪ ) দক্ষিণ মহাসাগৰ**

**উত্তৰঃ** ( ৩ ) আটলান্টিক মহাসাগৰ ।

**(খ ) পৃথিৱীৰ ক্ষুদ্ৰতম মহাদেশ কোনখন ?**

**( ১ ) উত্তৰ আমেৰিকা মহাদেশ । ( ২ )**

**ইউৰোপ মহাদেশ ( ৩ ) এন্টাৰ্কটিকা মহাদেশ । ( ৪ ) ওছেনিয়া মহাদেশ ।**

**উত্তৰঃ** ( ৩ ) এন্টাৰ্কটিকা মহাদেশ ।

**( গ ) ফকলেণ্ড দ্বীপটো কোন মহাসাগৰত অৱস্থিত ?**

**( ১ ) আটলান্টিক মহাসাগৰ ‘ ( ২ ) উত্তৰ মহাসাগৰ ( ৩ ) প্ৰশান্ত মহাসাগৰ ( ৪ ) ভাৰত মহাসাগৰ**

**উত্তৰঃ** ( ১ ) আটলান্টিক মহাসাগৰ ।

**( ঘ ) এছিয়া আৰু আফ্ৰিকা মহাদেশক কোনখন সাগৰে পৃথক কৰিছে ?**

**( ১ ) ভূমধ্য সাগৰ ( ২ ) লাোহিত সাগৰ ( ৩ ) কাস্পিয়ান সাগৰ ( ৪ ) আৰব সাগৰ**

**উত্তৰঃ** ( ২ ) লাোহিত সাগৰ ।

**( ঙ ) এছিয়া আৰু ইউৰোপ মহাদেশক প্ৰাকৃতিকভাৱে কিহে পৃথক কৰিছে ?**

**( ১ ) ইউৰাল পৰ্বতমালা ( ২ ) ককেচাচ পৰ্বত ( ৩ ) কাস্পিয়ান সাগৰ ( ৪ ) ভল্গা নদী**

**উত্তৰঃ** ( ১ ) ইউৰাল পৰ্বতমালা ।

**( চ ) ইকুৱেডৰ কোনখন মহাদেশত অৱস্থিত ?**

**( ১ ) উত্তৰ আমেৰিকা ( ২ ) দক্ষিণ আমেৰিকা ( ৩ ) আফ্ৰিকা ( ৪ ) এছিয়া**

**উত্তৰঃ** ( ২ ) দক্ষিণ আমেৰিকা ।

**( ছ ) ব্ৰাজিলৰ ৰাজধানী কি ?**

**( ১ ) ৰিঅ’ ডি জেনেৰিঅ ’ ( ২ ) চাও পাওলাে ( ৩ ) ব্ৰাছিলিয়া ( ৪ ) লিমা**

**উত্তৰঃ** ( ৩ ) ব্ৰাছিলিয়া ।